# REGIONAL NEWS UNIT
# AKASHVANI :: GUWAHATI

0000000000

**Date :** 24-04-2024
**Time :** 17-15 Hrs

## *Assamese EVENING Bulletin*

::::::::::::::::::::::::::::::::

ৰাজ্যখনৰ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি বিয়লি ৫ বজাত সামৰণি পৰিছে। আজি অন্তিম দিনা বিভিন্ন ৰাজনৈতিক দলে নিজ নিজ দলৰ প্ৰাৰ্থীৰ সমৰ্থনত ব্যাপক প্ৰচাৰ চলায়। এই পৰ্যায়ত ৰাজ্যৰ ৫ টা সমষ্টি দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাওঁ মুঠ ৬১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াব। বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি দৰং ওদালগুৰি লোকসভা সমষ্টিৰ এন ডি এৰ প্ৰাৰ্থী দিলীপ শইকীয়াৰ হৈ সমষ্টিটোৰ মাজবাট, কমলপুৰৰ লগতে জালুকবাৰীতো নিৰ্বাচনী প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীয়ে মাজবাটৰ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্প খেলপথাৰত আয়োজিত সমাবেশত দিয়া ভাষণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বড়োলেণ্ডলৈ শান্তিৰ পৰিবেশ ঘুৰি আহিছে বুলি মন্তব্য কৰে। আনহাতে, অহা জুলাই মাহত ৰাজ্যখনত আৰু ৫০ হাজাৰ টা চৰকাৰী চাকৰিত নিযুক্তি দিয়া হ'ব বুলি তেওঁ প্ৰতিশ্ৰুতি দিয়ে। ডঃ শৰ্মাই লাহৰিঘাটত নগাওঁ সংসদীয় সমষ্টিৰ বিজেপি  প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীয়ে নিজ ভাষণত কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰে। ইপিনে, কংগ্ৰেছ  দলে আজি নগাঁৱত দলৰ প্ৰাৰ্থী প্ৰদ্যুত বৰদলৈৰ সমৰ্থনত এটা ৰোড শ্ব' অনুষ্ঠিত কৰে। নগাঁওৰ ৰাজীৱ ভৱনৰ পৰা উলিওৱা এই ৰোড শ্ব'ত দলৰ জ্যেষ্ঠ নেতা ৰকিবুল হুছেইন, সাংসদ গৌৰৱ গগৈ, ৰাইজৰ দলৰ সভাপতি অখিল গগৈ, অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈ আৰু বিধায়ক ৰেকিবুদ্দিন আহমেদৰ লগতে ভালেসংখ্যক নেতা কৰ্মী উপস্থিত থাকে। জিলাখনৰ ধিং ধোপৰগুৰিত আজি আন এখন প্ৰচাৰ সভাত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰা আৰু বটদ্ৰৱা বিধায়িকা শিৱামণি বৰাই ভাষণ দিয়ে।

ইফালে কৰিমগঞ্জত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে সমষ্টিটোৰ বিজেপি প্ৰাৰ্থী কৃপানাথ মাল্লাৰ হৈ প্ৰচাৰ চলায়। নিজৰ  ভাষণত তেওঁ কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শাসনকালত ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা আৰম্ভ কৰি ৰেলপথলৈকে সকলো দিশতে উন্নয়ন সম্ভৱ হৈ উঠিছে।

ইপিনে, নগাওঁ সংসদীয় সমষ্টিৰ অন্তৰ্গত ধিঙত আজি বিজেপিৰ এখন নিৰ্বাচনী প্ৰচাৰ সভাত মন্ত্ৰী পিযুছ হাজৰিকাই সমষ্টিটোৰ বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ প্ৰচাৰ চলায়। এই সভাত কেইবাগৰাকীও কংগ্ৰেছ দলৰ সদস্যই বিজেপিত যোগ দিয়ে।  এ আই ইউ ডি এফৰ মুৰব্বী বদৰুদ্দিন আজমল আৰু বি পি এফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়েও আজি বিভিন্ন স্থানত প্ৰচাৰ চলায়।  বি পি এফৰ মুৰব্বীগৰাকীয়ে আজি দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ দলটোৰ প্ৰাৰ্থী দুৰ্গাদাস বড়োৰ হৈ তামুলপুৰ জিলাৰ গোৰেশ্বৰৰ সুৱাগপুৰত নিৰ্বাচনী প্ৰচাৰ চলায়। ইপিনে, তৃতীয় পৰ্যায়ত নিৰ্বাচন হ'বলগীয়া ৪ টা সমষ্টিৰ অন্তৰ্গত বিভিন্ন স্থানত প্ৰচাৰ অভিযান অব্যাহত আছে। আজি ধুবুৰী লোকসভা সমষ্টিৰ অধীনত মানকাছৰৰ হাতশিঙিমাৰীত অসম গণ পৰিষদ দলৰ এটা নিৰ্বাচনী কাৰ্যালয় আনুষ্ঠানিকভাৱে মুকলি কৰা হয়।

গুৱাহাটী সমষ্টিৰ বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী বিজুলী কলিতা মেধী আৰু কংগ্ৰেছ দলৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰ গোস্বামীয়ে আজি সমষ্টিটোৰ বিভিন্ন স্থানত প্ৰচাৰ চলায়।

০০০০

ৰাজ্যখনত দ্বিতীয় পৰ্যায়ত পৰহিলৈ অৰ্থাৎ ২৬ এপ্ৰিলত ৫ টা সমষ্টিৰ বাবে হবলগীয়া নিৰ্বাচনৰ ৬১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াব। এই পৰ্যায়ত ৭৭ লাখৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিব। উল্লেখযোগ্য যে সংশোধিত চূড়ান্ত ভোটদাতাৰ তালিকা অনুসৰি অসমত প্ৰায় ২ কোটি ৪৩ লাখ ভোটদাতাই এইবাৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইয়াৰ ভিতৰত ১ কোটি ২১ লাখ ৭৯ হাজাৰৰো অধিক পুৰুষ আৰু প্ৰায় ১ কোটি ২১ লাখ মহিলা ভোটদাতা। প্ৰথমবাৰৰ বাবে ভোটদাতাৰ তালিকাত অন্তৰ্ভুক্ত ৭ লাখ ২৬ হাজাৰ ৭৮৩ গৰাকী ভোটদাতা আছে। আনহাতে, ৰাজ্যখনত ৮০ বছৰৰ উৰ্ধৰ ভোটদাতাৰ সংখ্যা ২ লাখ ৭২ হাজাৰৰো অধিক। ৰাজ্যখনৰ অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত ডিফু সংসদীয় সমষ্টিত সৰ্বনিম্ন ৮ লাখ ৯২ হাজাৰ ৭৮৯ জন আৰু ধুবুৰী সমষ্টিত সৰ্বাধিক ২৬ লাখ ৪৩ হাজাৰৰো অধিক ভোটদাতা আছে। ইপিনে, ৰাজ্যখনত তিনিটা পৰ্যায়ত মুঠ ২৬৬ টা আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ থাকিব। আনহাতে, দিব্যাংগ বিষয়াৰ দ্বাৰা পৰিচালিত ৩৬ টা আৰু মহিলা বিষয়াৰ দ্বাৰা পৰিচালিত এহেজাৰ ৫৫১ ভোটগ্ৰহণ কেন্দ্ৰ থাকিব। উল্লেখযোগ্য যে সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত এইবাৰ প্ৰথমবাৰৰ বাবে অসমত নিৰ্বাচন অনুষ্ঠিত হৈছে।

০০০০

ৰাজ্যত দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনক লৈ নিৰ্বাচন আয়োগে সকলো প্ৰকাৰৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। ভোটাৰৰ মাজত সজাগতা সৃষ্টিৰ বাবে আজি বিজনী মহকুমাধিপতি কাৰ্যালয়ত এটা ৰক্তদান শিবিৰৰ আয়োজন কৰা হয়। প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণ কোষৰ উদ্যোগত আৰু বঙাইগাঁও নামনি অসম চিকিৎসালয় গৱেষণা প্ৰতিষ্ঠানৰ সহযোগত আয়োজিত এই ৰক্ত শিবিৰত কেন্দ্ৰীয় অৰ্দ্ধসামৰিক বাহিনীৰ ২০গৰাকী জোৱানে ৰক্তদান কৰে। আনহাতে, দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰস্তুতি সন্দৰ্ভত আজি ৰঙিয়াৰ মহকুমাধিপতি কাৰ্যালয়ত জিলা নিৰ্বাচনী বিষয়া দেৱাশীষ গোস্বামীয়ে এখন সংবাদ মেল সম্বোধন কৰে। সংবাদ মেল সম্বোধন কৰি জিলা নিৰ্বাচনী বিষয়াগৰাকীয়ে ভোটাৰৰ সুবিধা হোৱাকৈ ট'ল ফ্ৰী নম্বৰ ১৯৫০ আৰু মোবাইল নম্বৰ ৮৮৭৬০-৮০৪১৯ মুকলি কৰে। নিৰ্বাচনী বিষয়াগৰাকীয়ে ভোটগ্ৰহণৰ সময়ত জনসাধাৰণে সন্মুখীন হব পৰা যিকোনো সমস্যাৰ ক্ষেত্ৰত এই ফোন নম্বৰ দুটা ২৪ ঘণ্টাই সক্ৰিয় হৈ থাকিব বুলি সদৰি কৰে। সমষ্টিটোৰ স্পৰ্শকাতৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহত আইন-শৃংখলা নিশ্চিত কৰিবলৈ কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী মোতায়েন কৰাৰ লগতে ৰেব কাষ্টিঙৰ ব্যৱস্থা কৰা হ'ব বুলি তেওঁ সদৰি কৰে।

ইপিনে, ২৬ এপ্ৰিলত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে কাৰ্বি আংলঙৰ দূৰণিবটীয়া ভোটগ্ৰহণ কেন্দ্ৰসমূহলৈ ইতিমধ্যে প্ৰিজাইডিং আৰু পোলিং বিষয়াকে ধৰি অন্যান্য বিষয়াসকল ৰাওনা হৈছে। কাৰ্বি আংলং নিৰ্বাচনী জিলাত মুঠ ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা হৈছে ৪৪৮টা। একেদৰে দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ অন্তৰ্গত দৰং নিৰ্বাচনী জিলাৰ ৪৩টা দুৰ্গম ভোটগ্ৰহণ কেন্দ্ৰলৈ ইতিমধ্যে নিৰ্বাচনী বিষয়াসকল ৰাওনা হৈছে।

০০০০

ঃঃ সমাপ্ত ঃঃ